# অসমৰ ঐক্য-সংহতিত মহাপুৰুষ শংকৰদেৱৰ অৱদান

এম্ নাছিৰ উদ্দিন আহমেদ
স্নাতক, ১ম বাৰ্ষিক

পৃথিৱীৰ ইতিহাসৰ পাত মেলিলে আমি দেখিবলৈ পাওঁ যে যেতিয়া সমাজত ধৰ্মৰ গ্লানি হৈ অধৰ্মৰ প্ৰাদুৰ্ভাৱ হয়, শোষণ আৰু অত্যাচাৰৰ মাত্ৰাই চৰম সীমা পায় তেতিয়াই সত্য প্ৰতিষ্ঠা কৰি সমাজ তথা দেশক পৰিত্ৰাণ কৰিবলৈ একো একোজন মহামানৱৰ আৱিৰ্ভাৱ ঘটে। এনে মহাপুৰুষ সকলৰ ভিতৰত ভগৱান বুদ্ধ, মহাপ্ৰভু যীশু, ইছলাম ধৰ্মৰ প্ৰবৰ্ত্তক হজৰত মহম্মদ আদিৰ নাম লব পাৰি। তেওঁলোকৰ আৱিৰ্ভাৱ আছিল যেন দেশ তথা জাতিৰ হিত আৰু কল্যাণ সাধন কৰা। খৃষ্টিয় পঞ্চদশ শতিকাত ইউৰোপৰ খৃষ্টান ধৰ্মত দেখা দিয়া ব্যাভিচাৰ-অনাচাৰ আদি দূৰ কৰিবলৈ আৱিৰ্ভাৱ হৈছিল মাৰ্টিন লুথাৰকে আদি কৰি কেইবাগৰাকী মহামানৱৰ। সেই একে শতিকাতে অসমতো ধৰ্মৰ নামত দেখা দিয়া অনাচাৰ-ব্যাভিচাৰ, খিয়লা-খিয়লি আদি আঁতৰ কৰি ধৰ্মক সৰ্বসাধাৰণ লোকৰ সহজলভ্য কৰি তোলাৰ মানসে আৱিৰ্ভাৱ হৈছিল মহাপুৰুষ শ্ৰীশংকৰদেৱৰ। তেওঁ পবিত্ৰ এক শৰণ নামধৰ্ম প্ৰচাৰ কৰি হৰি নামৰ অমৃত বাণীৰে জীৱৰ মুক্তিৰ পথৰ সন্ধান দিছিল। তদুপৰি তেওঁ ধৰ্ম প্ৰচাৰতে ক্ষান্ত নাথাকি এগৰাকী প্ৰখ্যাত সমাজ সংস্কাৰক হিচাপে সমাজত দেখা দিয়া বিভেদ, অস্পৃশ্যা, উচ্চ-নীচৰ ভেদাভেদবোৰ দূৰ কৰি সাংস্কৃতিক সমন্বয়ৰ এনাজৰীৰে বৰ-অসমৰ ভেটিটো নিৰ্মাণ কৰি গৈছিল।

মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱ কালত অসমত নানা উপভাষা, নানা ধৰ্ম, নানা আচাৰ-পদ্ধতিৰ খেলি-মেলিত এটা বিশৃংখল অৱস্থাৰ সৃষ্টি হৈছিল। নৈতিক আদৰ্শ, আধ্যাত্মিক সাধনা আৰু সত্যধৰ্ম আচৰণ কৰাৰ সুযোগ আৰু সুবিধা নথকাত সমাজত ব্যাভিচাৰ আৰু কু-আদৰ্শই খোপনি পুতি লৈছিল। জনসাধাৰণৰ সমুখত সহজ আচৰণীয় এটা সুস্থ ধৰ্মীয় আদৰ্শ নথকাত প্ৰবৃত্তি অনুসৰি যাৰে যিটো পথ ভাল যেন বোধ হৈছিল তাকে অনুসৰণ কৰিছিল। ইয়াৰ উপৰিও বামাচাৰী তান্ত্ৰিক প্ৰথাৰ ভয়াবহ আচাৰে স্থান বিশেষে আৰু লোক বিশেষে খোপনি পুতি লৈছিল। নানা মত, নানা দেৱ-দেৱীৰ উপাসনা আৰু নানা আচাৰে জনসাধাৰণৰ মন সনাতন ধৰ্মৰ পৰা বিচ্যুত কৰি নিছিল। এনে এটা পৰিস্থিতিৰ সমুখীন হৈ মহাপুৰুষ শংকৰদেৱে জনসাধাৰণৰ আগত প্ৰাচীন সনাতন ধৰ্মৰ আদৰ্শ দাঙি ধৰাৰ উদ্দেশ্যে নৱ-বৈষ্ণৱ আন্দোলনৰ পাতনি মেলে।

মহাপুৰুষ শংকৰদেৱ মূলতঃ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক আছিল যদিও তেওঁ এগৰাকী দূৰদৃষ্টি সম্পন্ন সমাজ সংস্কাৰক আৰু সমাজৰ নিৰ্মাতা আছিল। বহু-মুখী প্ৰতিভাৰ আঁকৰ স্বৰূপ শংকৰদেৱ দৰাচলতে আছিল অসমীয়া জাতিৰ জনক। তেওঁ এই কথা ভালকৈ উপলব্ধি কৰিছিল যে অসমৰ বিভিন্ন ভাষা-ভাষী, বিভিন্ন মতাবলম্বী জনসাধাৰণৰ মাজত সম্প্ৰীতি, ঐক্য আৰু আধ্যাত্মিক ভাব জগাই তুলিবলৈ হ'লে এটা সহজ, সৰল ধৰ্মীয় মাৰ্গৰ সন্ধান দিব লাগিব। বৈষ্ণৱ ভক্তি মাৰ্গই সেই সহজ সাধন পন্থ হ'ব বুলি তেওঁ বিশ্বাস কৰিছিল। এই উদ্দেশ্যে তেওঁ ১২ বছৰ কাল সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰি বিভিন্ন তীৰ্থ, মঠ-মন্দিৰ দৰ্শন কৰি বিভিন্ন বৈষ্ণৱ সম্প্ৰদায়ৰ ক্ৰিয়া কলাপ লক্ষ্য কৰি নিজ কাল, দেশ আৰু পাত্ৰৰ উপযোগীকৈ বৈষ্ণৱ ভক্তি মাৰ্গ প্ৰবৰ্ত্তন কৰে। নাম, দেউ (উপাস) গুৰু আৰু ভকত (সৎসঙ্গ) এই চাৰিটা তত্বক ভক্তি সাধনাৰ অপৰিহাৰ্য্য অঙ্গ-স্বৰূপে 'এক শৰণ নাম ধৰ্ম' প্ৰচাৰ কৰি জনসমাজক উদ্বুদ্ধ কৰি তোলে। তেওঁৰ ধৰ্মৰ মূলভেটি আছিল হাটী, বাটী, নামঘৰ, মণিকূট সমন্বিতে সত্ৰানুষ্ঠানটো, য'ত জাতি বৰ্ণ নিৰ্বিশেষে, কি কেৱল্য, কি সংসাৰী সকলো ভক্তৰে সৎসঙ্গ লাভ হয় আৰু য'ত কেৱল হৰি ভক্তিৰ শ্ৰৱণ-কীৰ্ত্তন আৰু চৰ্চ্চালাপ হয়। এই অনুষ্ঠানটো সাৰ্বজনীন, জন্মস্বত্বৰ নিচিনাই —ইয়াত সকলোৰে সম-অধিকাৰ দেশ-কাল-পাত্ৰৰ ভেদাভেদ নাই, যি বৌদ্ধ ধৰ্মৰ নিচিনাই, বিশ্বমানৱ ভাতৃত্ববোধৰ আৰু শুদ্ধ সমাজ তন্ত্ৰৰ চৰম নিদৰ্শন। এই বৈষ্ণৱ সমাজৰ অন্তৰ্ভুক্ত হৈছিল হিন্দু-যৱন, আৰ্য্য-অনাৰ্য্য, থলুৱা-বহিৰাগত আদি সকলো ভক্তগণ। যৱনৰ চান্দসাই আৰু জয়হৰি, গাৰোৰ গোবিন্দ, ভোটৰ জয়ানন্দ, মিৰিৰ বলাই নগাৰ নৰোত্তম আদি লোকৰ অন্তৰ্ভুক্তিৰে এই সমাজৰ সাৰ্বজনীনতা আৰু ব্যাপকতাই প্ৰকাশ কৰে। সেয়ে তেৰাৰ শিষ্য পৰম বৈষ্ণৱ সকলে হৰি নামৰ ধ্বনিৰে ভূগোলৰ হেঙাৰ ভাঙি দেশক লগলগাই গাব পাৰিছিল—

"ধন্য ধন্য কলি কাল
ধন্য নৰ তনু ভাল
ধন্য ধন্য ভাৰত বৰিষ।"

পবিত্ৰ একশৰণ ভাগৱতী ধৰ্ম প্ৰচাৰ কৰি মহাপুৰুষ শংকৰদেৱে গোটেই অসমীয়া জাতিকে যেনেকৈ ভগবদ্‌মুখী কৰি গ'ল তেনেকৈ সমাজ-সংস্কাৰ কৰি আৰু গণতন্ত্ৰৰ ভেটি গঢ়ি জনসাধাৰণক সামাজিক ঐক্যৰ ডোলেৰে বান্ধি অসম দেশক আৰু অসমীয়া সমাজখনক স্বয়ংসমৃদ্ধ আৰু সু-প্ৰতিষ্ঠিত কৰি থৈ গৈছিল। বৰ্তমান যুগত মহাত্মা গান্ধীয়ে যি পঞ্চায়তী ৰাজ প্ৰবৰ্ত্তন কৰিব বিচাৰিছিল সেই শাসন পদ্ধতি মহাপুৰুষ গৰাকীয়ে ৫০০ বছৰ আগতে অসমৰ গাঁৱে-ভূঞে প্ৰবৰ্ত্তাই গৈছিল প্ৰতি নামঘৰে নামঘৰে, সত্ৰই সত্ৰই। নামঘৰ তথা সত্ৰসমূহ আছিল ৰাইজৰ আদালত। তাত বিচাৰৰ পৰা আৰম্ভ কৰি ৰাইজৰ অভাৱ-অভিযোগলৈ সকলো বিষয়তে চকু ৰখা হৈছিল। নামঘৰৰূপী বিচাৰালয়ৰ নিৰপেক্ষ বিচাৰত ৰাইজ যেন সুখী হ'ব পাৰিছিল ৰাইজে যেন উচিত বিচাৰ পাইছিল। সেয়ে নামঘৰ তথা সত্ৰানুষ্ঠানৰ প্ৰতি জনসাধাৰণৰ আস্থা আৰু বিশ্বাস স্থাপন হৈছিল আৰু ইয়াৰ

কেন্দ্ৰ কৰিয়ে শেষত ধ্বংসামুখী অসমীয়া জাতিটো, অসমীয়া সমাজখন এটা সুস্থ জাতি হিচাপে, এখন সুস্থ সমাজ হিচাপে সুপ্ৰতিষ্ঠিত হ'ব পাৰিছিল।

সাহিত্য হ'ল মানব হৃদয়ৰ অনুভূতি জাগ্ৰত কৰা অনুপম উপাদান। ইয়াৰ কোনো পৰিধি বা সীমা নাই। ই বিশ্বজনীন। মহাপুৰুষ শংকৰদেৱেও সাহিত্য-সৃষ্টিৰ জৰিয়তে জনসাধাৰণক জাগ্ৰত কৰি তুলিব বিচাৰিছিল। তেওঁৰ লিখনিসমূহ প্ৰায়েই প্ৰচাৰধৰ্মী আছিল যদিও এইবোৰে পৰবৰ্ত্তী লিখক সকলক যথেষ্ট অনুপ্ৰাণিত কৰিছিল। শংকৰদেৱ আছিল অসমীয়া সাহিত্যৰ বাট-কটীয়া। বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে নাট-পদ-গীত আদিৰ সৃষ্টি শংকৰদেৱে নকৰাহেঁতেন আজি অসমীয়া ভাষা-সাহিত্য ইমান চহকী হ'ব নোৱাৰিলেহেঁতেন। সকলো প্ৰকাৰৰ কলাৰ ভিতৰত জনসাধাৰণক সহজে আকৃষ্ট কৰিব পৰা শ্ৰেষ্ঠ কলা হ'ল নাট। বৈষ্ণৱ ধৰ্মৰ একেশ্বৰবাদ বা হৰি ভক্তিৰ শ্ৰেষ্ঠত্ব দাঙি ধৰিবৰ কাৰণে তেওঁ নাট ৰচনা তথা মঞ্চস্থ কৰিছিল যদিও ইয়াৰ মাজেৰে তেওঁ জনসাধাৰণক একতাৰ ডোলেৰে বান্ধিবলৈ সক্ষম হৈছিল। নাট্যাভিনয় চাবলৈ একেখন মঞ্চত সমবেত হৈছিল বিভিন্ন জাতি, ধৰ্মৰ লোক। এইদৰে মিলিত হোৱাৰ ফলত তেওঁলোকৰ মাজত থকা ভেদাভেদ, উচ্চ-নীচ ভাববোৰ পাহৰি পেলোৱাতো সম্ভৱ হৈছিল।

ভক্তিপ্ৰাণ লোকসকলে মহাপুৰুষীয়া ধৰ্মৰ পতাকা এখন কল্পনা কৰে। শুধ্ শুক্ল বৰ্ণ বস্ত্ৰ এখনত থগী এখন ৰাখি তাৰ ওপৰত ভাগৱত খন স্থাপন কৰা হৈছে। শুক্ল বৰ্ণটো পবিত্ৰতা আৰু শান্তিৰ চিহ্ন। মহাভাগৱতৰ জ্ঞান আলোকেৰে মানৱ হিয়াৰ কলুষ কালিমা আঁতৰ কৰাই পতাকাৰ প্ৰতীক উদ্দেশ্য। পতাকাৰ উত্তোলনৰ সময়ত মহাপুৰুষ জনাৰ ৰচিত--"জয় জয় যাদৱ, জলনিধি যাধৱ ধাতা ... ... ... " বৰগীতেৰে কাম আৰম্ভ কৰা হয়। পতাকা উত্তোলিত হোৱাৰ লগে লগে খোল তালেৰে তলৰ গীতটো গোৱা হয়।

"বৈষ্ণৱী পতাকাৰ উজ্জ্বল কান্তি
বিৰাজে বিশ্বত বিমল শান্তি।
আহাহে সন্ত আহা মহন্ত,
ক্ষুদ্ৰ ভেদ নীতি কৰাহি অন্ত
সহায় আমাৰ আছে শ্ৰীমন্ত ... ... ।"

মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱ অসমৰ কাৰণে এক বিস্ময় বুলি কব পাৰি। শঙ্কৰদেৱৰ আৱিৰ্ভাৱ নোহোৱাহেঁতেন অসমীয়া জাতিও স্বকীয়া বৈশিষ্টা লৈ আজি বৰ্ত্তি থাকিব নোৱাৰিলেহেঁতেন। অধৰ্ম, অনৈক্য আৰু বিভেদে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰি থানবান কৰি তোলা অসমীয়া সমাজখনক মহাপুৰুষ গৰাকীয়ে ধৰ্ম-কৰ্মৰ নতুন পথ দেখুৱাই সকলো জাতি-বিজাতিকে এক কৰি অন্যায় ব্যভিচাৰৰ বিপক্ষে জাগ্ৰত কৰি ঐক্য-সংহতিৰ যি মহান আদৰ্শ দেখুৱাই গৈছিল সিয়েই মহাপুৰুষ গৰাকীৰ তিৰোভাৱৰ আজি প্ৰায় পাঁচশ বছৰ পিচলৈকো অটুট আছে। বৰ্ত্তমান সময়তো মহাপুৰুষ গৰাকীৰ প্ৰাসঙ্গিকতা আহি পৰিছে-বিশেষকৈ অসমৰ ঐক্য-সংহতি ৰক্ষাৰ ক্ষেত্ৰত। শঙ্কৰদেৱে যি মহান উদাৰ নীতিৰে পাহাৰ ভৈয়াম, ব্ৰাহ্মণ শূদ্ৰ, জনজাতীয়-অজনজাতীয়, গাৰো, নগা, মুছলমান আদি সকলোকে এক কৰি গঢ়ি সমন্বয়ৰ যি সেতু ৰচনা কৰিছিল সেই একে উদাৰতা তথা উদাৰ

নীতিয়েহে বৰ্তমান সময়তো জাতিক তথা দেশক ঐক্যবদ্ধ কৰি ৰাখিব পাৰিব বুলি আশা কৰিব পাৰি। পদ্মশ্ৰী অতুল চন্দ্ৰ হাজৰিকাদেৱে তেখেতৰ কবিতাৰ মাজেৰেও মহাপুৰুষ গৰাকীৰ এনে উদাৰ নীতিৰেই জয়গান গাই অসমীয়া জাতিক সকীয়াই গৈছে—

"এতিয়াও অসমীয়া উঠা কাছি পাৰি
জানি লোৱা, মানি লোৱা সাৰোগত কৰি
পবিত্ৰ কীৰ্ত্তনঘৰ
স্থান তাত নাই বিভেদৰ
থিয় হোৱা মূৰ দাঙি জয়ধ্বজা তুলি
বহল উদাৰ ধৰ্ম মহাপুৰুষ
আখৰে আখৰে পালি হোৱা অগ্ৰসৰ
সবাকে সাৰটি লোৱা নিজ ভাতৃ বুলি।"

[ প্ৰবন্ধটি যুগুত কৰি উলিয়াওঁতে বিশেষভাবে সহায়লোৱা পুথি কেইখন হ'ল—

১। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত—ড° সত্যেন্দ্ৰ নাথ শৰ্মা।
২। শ্ৰীমন্ত শঙ্কৰজ্যোতি ( স্মৃতিগ্ৰন্থ )—শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ—গুৱালকুছি।
৩। মহাপুৰুষ—হেমপ্ৰভা হাজৰিকা।
৪। অসমীয়া সাহিত্যৰ ৰূপৰেখা—ড° মহেশ্বৰ নেওগ। ]

---

স্বৰ্গলৈ গলে কেনে সুখ সন্তোষ পোৱা যাব কব নোৱাৰোঁ। কিন্তু জন্মভূমিলৈ গৈ মাতৃভূমিৰ মুখৰপৰা মধুৰ মাতৃভাষা শুনিবলৈ পালে আমি স্বৰ্গলৈ যাবলৈ–ইন্দ্ৰৰপৰা পোৱা নিমন্ত্ৰণো যে অস্বীকাৰ কৰিবলৈ সাজু আছোঁ তাক বোধকৰো স্বয়ং ইন্দ্ৰইও জানে, মাতৃ ভাষাটো বাদ দিলে জন্মভূমিৰ মূলাৰ সৰহ ভাগ বাদ পৰে।

– ৰসৰাজ বেজবৰুৱা।

# বিজ্ঞান জগতৰ এটি উজ্বল জ্যোতিষ্ক : ভাৰতীয় বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকটৰমণ

শ্ৰীললিত কুমাৰ বড়ো
১ম বাৰ্ষিক, উঃ মাঃ

বিংশ শতিকাৰ শেষ ভাগত আজি বিজ্ঞানে ইমান অগ্ৰগতি লাভ কৰিছে যে ইয়াৰ সহায়ত পৃথিৱীৰ মানুহে এতিয়া গ্ৰহ-গ্ৰহান্তৰৰ ৰহস্য বিচাৰি মহাকাশত বিচৰণ কৰিব লাগিছে। মানুহৰ মাজত থকা অজ্ঞানতা আৰু অন্ধবিশ্বাসৰ প্ৰাচীৰ ভাঙি আজি বিজ্ঞানে যুক্তি আৰু প্ৰমাণেৰে নতুন দিশ উন্মোচন কৰি দিছে। বিজ্ঞানৰ এই জয় যাত্ৰাত ভাৰতীয় বিজ্ঞানীসকলেও উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। বিজ্ঞান জগতৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ তেনে এগৰাকী ভাৰতীয় বিজ্ঞানী আছিল প্ৰখ্যাত পদাৰ্থবিদ চন্দ্ৰশেখৰ ভেংকটৰমণ।

বিজ্ঞান সাধনাৰ ক্ষেত্ৰত ভাৰতীয় বিজ্ঞানক সমসাময়িক বিজ্ঞান জগতত প্ৰতিষ্ঠা কৰা এই গৰাকী বিজ্ঞানীৰ জন্ম হৈছিল ১৮৮৮ চনৰ ৭ নৱেম্বৰ তাৰিখে তামিলনাডুৰ ত্ৰিচিন্নপল্লীৰ ওচৰৰ এখন সৰু গাঁৱৰ এটি নিম্ন মধ্যবিত্ত পৰিয়ালত। চন্দ্ৰশেখৰ ভেংকটৰমণৰ মাতৃৰ নাম আছিল পাৰ্বতী আম্পাল। তেওঁৰ পিতাক চন্দ্ৰশেখৰ আয়াৰ আছিল এখন কলেজৰ অধ্যাপক। ৰমণৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল ওৱালটায়াৰত। সৰুৰেপৰা তেওঁ আছিল অতি চোকা বুদ্ধিৰ ছাত্ৰ। বিজ্ঞান আৰু ইংৰাজী বিষয়ত তেওঁৰ অদ্ভুত দখল আছিল। মাত্ৰ এঘাৰ বছৰ বয়সতে তেওঁ মেট্ৰিক পৰীক্ষাত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম হৈছিল। ইয়াৰ পাছত তেওঁ ওৱালটায়াৰ কলেজত ভৰ্তি হয় আৰু প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ এটা জলপানী লাভ কৰে। প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষা পাছ কৰি উঠি তেওঁ কলিকতাৰ প্ৰেছিডেন্সী কলেজত বি, এছ, চি শ্ৰেণীত নাম লগায়। অসাধাৰণ চোকা বুদ্ধি আৰু প্ৰতিভাৰ কাৰণে ৰমণে অতি কম দিনৰ ভিতৰতে কলেজৰ অধ্যাপকসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। পদাৰ্থ বিদ্যাত তেওঁৰ ৰাপ আছিল অতি বেছি। পদাৰ্থ বিজ্ঞান বিষয়ত স্বৰ্ণপদক লাভ কৰি তেওঁ প্ৰথম বিভাগত বি, এছ, চি পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তেওঁ পদাৰ্থ বিজ্ঞান বিষয়তে এম্, এছ চি পঢ়ে আৰু ১৯০৭ চনত প্ৰথম শ্ৰেণী লৈ এম্, এছ্ চি পাছ কৰে। পদাৰ্থ বিজ্ঞানত এম্, এছ্ চি পঢ়ি থকা কালত তেওঁ বেছি ভাগ সময় লেবৰেটৰি আৰু লাইব্ৰেৰীতে অধ্যয়নত মগ্ন আছিল।

বি, এছ্ চি পাছ কৰাৰ পাচতে ৰমণক তেওঁৰ শিক্ষকসকলে উচ্চ শিক্ষাৰ্থে বিলাতলৈ যাবলৈ

পৰামৰ্শ দিছিল। ৰমণৰো তেনে এটা মন আছিল যদিও আৰ্থিক আৰু শাৰীৰিক দুৰ্বলতাৰ কাৰণে তেতিয়া বিলাতলৈ যোৱা নহ'ল। ১৯০৭ চনত এম্ এছচি পাছ কৰি উঠি ৰমণে চিভিল ছাৰ্ভিচ পৰীক্ষা দি সুখ্যাতিৰে উত্তীৰ্ণ হৈ চিভিল ছাৰ্ভিচত যোগদান কৰে। ইতিমধ্যে তেওঁৰ বিবাহ কাৰ্য্যও সম্পন্ন হৈ গৈছিল। এইবোৰে কিন্তু ৰমণক আকৃষ্ট কৰিব নোৱাৰিলে। তেওঁৰ মন নিবিষ্ট আছিল বিজ্ঞান সাধনাত। য'তে ইচ্ছা ততে পথ' বুলি এষাৰ কথা আছে। ৰমণৰো বিজ্ঞান চৰ্চাৰ প্ৰবল ইচ্ছা শক্তিয়ে পথ বিচাৰি পালে। নিতৌ ট্ৰামেৰে অফিচলৈ অহা-যোৱা কৰোতে এদিনাখন ৰমণৰ চকু পৰিল আলিৰ দাঁতিত আঁৰি থোৱা এখন চাইন ব'ৰ্ডত—য'ত লিখা আছিল "বিজ্ঞান চৰ্চাৰ ভাৰতীয় সংঘ"। এদিনাখন সেই ঠাইতে ট্ৰামৰ পৰা নামি তেওঁ সংঘৰ অফিচত সোমায়গৈ। সেই সংঘৰ তেতিয়াৰ সম্পাদক অমৃতলাল সৰকাৰে ৰমণক "এই জনহে বিজ্ঞানৰ প্ৰকৃত ছাত্ৰ" বুলি ভাবি সংঘৰ দায়িত্ব ৰমণকে এৰি দিলে। সংঘৰ কাম-কাজ চোৱাৰ উপৰিও তেওঁ নিজেই গৱেষণা আৰম্ভ কৰি দিছিল। চৰকাৰী চাকৰিৰ লগতে সংঘৰ গুৰু দায়িত্ব বহন কৰাৰ ফলত তেতিয়া ৰমণৰ বৰ ব্যস্ততাপূৰ্ণ জীৱন অতিবাহিত হৈছিল। কিন্তু ১৯০৯ চনত ৰমণক ৰেংগুনলৈ বদলি কৰাত কিছুদিনৰ বাবে তেওঁৰ ব্যস্ততাপূৰ্ণ কাৰ্য্যসূচী বাতিল হৈছিল। ৰেংগুনত এবছৰ আৰু পাছত নাগপুৰত আৰু এবছৰ থকাৰ পিছত তেওঁ পুনৰ কলিকতা পায়হি। অৱশ্যে এই দুটা বছৰতো তেওঁ গৱেষণা নকৰাকৈ থকা নাছিল। নিজৰ থকা ঘৰতে একোটা ক্ষুদ্ৰ বিজ্ঞানাগাৰ পাতি লৈ তাতেই গৱেষণা কৰিছিল। ১৯১১ চনত কলিকতা আহি পোৱাৰ পিছৰ পৰা তেওঁ আশুতোষ দেৱ লগ লাগি অনেক প্ৰবন্ধ-পাতি প্ৰকাশ কৰিছিল। পদাৰ্থবোৰৰ বিভিন্ন সমস্যাক লৈ লিখা গৱেষণামূলক এই প্ৰবন্ধসমূহে ৰমণক এজন মৌলিক গৱেষক হিচাপে প্ৰতিষ্ঠিত কৰে।

বিজ্ঞান বিষয়ত ৰমণৰ অসাধাৰণ পাণ্ডিত্য আৰু প্ৰতিভা দেখি কলিকতা বিশ্ববিদ্যালয়ৰ সেই সময়ৰ উপাচাৰ্য্য চাৰ আশুতোষ মুখাৰ্জীয়ে ৰমণক বিশ্ববিদ্যালয়ৰ অধ্যাপক স্বৰূপে যোগদান কৰিবলৈ অনুৰোধ কৰিলে। তেওঁ কৰি থকা চাকৰিতকৈ ইয়াত দৰমহা কম আছিল যদিও ৰমণে নতুন নিযুক্তি গ্ৰহণ কৰিলে। এনেকৈয়ে তেওঁৰ আৰম্ভ হৈছিল অধ্যাপকৰ চাকৰি।

১৯২১ চনত ৰমণ অক্সফ'ৰ্ডত অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয় কংগ্ৰেছত যোগদান কৰিবলৈ গৈছিল। তাতেই তেওঁ বিশ্বৰ বিখ্যাত পদাৰ্থবিদ সকলৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পালে। পদাৰ্থবিজ্ঞানৰ জটিল সমস্যাৱাজিৰ বিষয়ে ৰমণে তেওঁলোকৰ লগত নানান আলোচনা কৰে। ৰমণৰ গভীৰ অনুসন্ধিৎসু মন আৰু অসাধাৰণ পাণ্ডিত্য দেখি তাত উপস্থিত থকা বিজ্ঞানীসকল অবাক হৈ পৰিছিল।

সাগৰেদি বিলাতলৈ গৈ থাকোঁতে ভূমধ্য-সাগৰৰ নীলা উপৰিভাগ দেখি ৰমণ আচৰিত হৈ পৰিছিল। সাগৰৰ এই নীলা ৰং সম্পৰ্কে লৰ্ড ৰেলী নামৰ এগৰাকী বিজ্ঞানীয়ে মন্তব্য দাঙি ধৰিছিল। ৰেলীয়ে কৈছিল—বায়ুমণ্ডলৰ কণিকা-বিলাক সিঁচৰতি হৈ পৰাৰ কাৰণেই আকাশখন

নীলা দেখি আৰু ইয়াৰ প্ৰতিচ্ছবি সাগৰত পৰাৰ কাৰণেই সাগৰখন নীলা দেখি। ৰমণে জাহাজেৰে উভতি অহাৰ সময়তে এটা সাধাৰণ পৰীক্ষাৰ দ্বাৰাই ৰেলীৰ এই মতবাদটো নাকচ কৰি দিয়ে। তেওঁ এৰ্বিত নিবল প্ৰিজমৰ মাজেদি সাগৰৰ উপবিভাগ চাই দেখিলে যে আকাশৰ প্ৰতিচ্ছবি নপৰাকৈ সাগৰখন নীলা দেখি। ৰমণে ব্যাখ্যা দিলে যে পানীৰ সিচঁৰতি অৱস্থাৰ কাৰণেহে সাগৰৰ পানী ভাগ নীলা দেখি। জাহাজত থাকোঁতেই তেওঁ অনুভৱ কৰিলে যে আইনষ্টাইন— স্মলুচউচকিৰ তাপ গতিক সূত্ৰটোৰ সহায়ত পনীয়া পদাৰ্থৰ আণৱিক বিৱৰ্তন ব্যাখ্যা কৰিব পাৰি। স্বদেশ পায়েই তেওঁ আৰম্ভ কৰিলে তাৰ ওপৰত পৰীক্ষা। তদুপৰি তেওঁ জুলীয়া পদাৰ্থৰদ্বাৰা ৰঞ্জন ৰশ্মি বিচ্ছুৰিত আৰু জুলীয়া পদাৰ্থৰ সান্দ্ৰতা (viscocity) নিৰ্ণয় কৰাৰ ওপৰতো পৰীক্ষা আৰম্ভ কৰিলে। "ৰমণ এফেক্ট" নামে বিজ্ঞানৰ নতুন তথ্য আবিষ্কাৰ কৰি ৰমণ খ্যাত হৈ পৰিল। "ৰমণ এফেক্ট"ৰ কাৰণে ৰমণ যে বিখ্যাত হৈ পৰিছিল তাত সন্দেহেই নাই- কিন্তু তেওঁৰ গৱেষণাৰ প্ৰথম ক্ষেত্ৰ আছিল শব্দ বিজ্ঞান। ভাৰতীয় সংগীত-যন্ত্ৰৰ তত্ত্ব আৰু শব্দ বিজ্ঞান সম্পৰ্কে তেওঁ প্ৰায় ৪০ খন মান গৱেষণা পত্ৰ প্ৰকাশ কৰিছিল। শেষলৈ গৈ তেওঁ বিভিন্ন শব্দ আৰু সংগীত যন্ত্ৰৰ ওপৰত এগৰাকী পণ্ডিতেই হৈ পৰিছিল।

১৯৩০ খৃঃত এই গৰাকী বিজ্ঞানী চি. ভি. ৰমণে পদাৰ্থ বিজ্ঞানত বিশ্বৰ শ্ৰেষ্ঠতম বঁটা "নোবেল বঁটা" লাভ কৰি ভাৰতলৈ গৌৰৱৰ কীৰিতি কঢ়িয়াই আনিছিল। ৰমণৰ পূৰ্বে জগদীশ চন্দ্ৰ বসু, প্ৰফুল্ল চন্দ্ৰ ৰায় আদিৰ দৰে বিজ্ঞানীয়ে বিশ্বৰ বিজ্ঞানী মহলৰ দৃষ্টি আকৰ্ষণ কৰিছিল যদিও তেওঁলোকৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰ আছিল বিলাত। কিন্তু ৰমণে ভাৰততে শিক্ষা লভি আৰু ভাৰতীয় পৰিবেশত গৱেষণা চলাই স্বদেশী শিক্ষা আৰু বিদেশী শিক্ষাৰ মাজত যে কোনো পাৰ্থক্য নাই - এই আদৰ্শ আৰু বিশ্বাস প্ৰতিষ্ঠা কৰিব পাৰিছিল। বিশ্ববৰেণ্য এই জনা বিজ্ঞানীৰ ১৯৭০ খৃঃত দেহাৱসান ঘটে। কিন্তু তেওঁ এৰি থৈ যোৱা আদৰ্শ আৰু কৰ্মৰাজি আমাৰ উঠি অহা চামৰ কাৰণে সদায় প্ৰেৰণাৰ উৎস হৈ থাকিব।

---

[ এই প্ৰৱন্ধটো লিখোতে নিৰ্ভৰ কৰা সমলবোৰ হ'ল— আৱিষ্কাৰৰ আঁৰে আঁৰে, মেডাম কুৰি, এটম বোমাৰ কাহিনী আৰু ডঃ কুলেন্দু পাঠকৰ চন্দ্ৰশেখৰ ভেংকট ৰমণৰ ওপৰত লিখা প্ৰৱন্ধ ]

# মানৱ সম্পদ পৰিকল্পনা আৰু উত্তৰ-পূব পৰিষদ।

শ্ৰীঅৰুণ চন্দ্ৰ পাটোৱাৰী
প্ৰবক্তা, অৰ্থনীতি বিভাগ

মানৱ সম্পদ পৰিকল্পনা বৰ্ত্তমান অৰ্থনৈতিক পৰিকল্পনাৰ এক অবিচ্ছেদ্য অংগ। সামগ্ৰিক অৰ্থনৈতিক পৰিকল্পনা প্ৰস্তুতি কৰাৰ লগে লগে মানৱ সম্পদ পৰিকল্পনাও প্ৰস্তুত কৰিব লাগে। বিশেষকৈ পিছ পৰি থকা অঞ্চলসমূহৰ কাৰণে মানৱ সম্পদ পৰিকল্পনা অতি আৱশ্যকীয়। অনুন্নত অঞ্চল সমূহত যেনেকৈ জনশক্তিৰ অত্যধিক হেঁচা দেখা যায় তেনেকৈ তাত পাৰদৰ্শিতাপূৰ্ণ (skilled) লোকৰ অভাৱ হোৱা দেখা যায়। এই অঞ্চলসমূহত জন শক্তিৰ পৰিকল্পনাৰ অভাৱত মূল্যবান জনসম্পদ অপচয় হোৱা দেখা যায়। জনশক্তি পৰিকল্পনা হ'ল এনেকুৱা এটা অৰ্থনৈতিক প্ৰচেষ্টা যাৰ জৰিয়তে এখন ৰাষ্ট্ৰ বা এটা অঞ্চলত কৰ্মক্ষম লোকৰ যোগান ধৰিব পৰা যায়। জনশক্তিৰ চাহিদা আৰু যোগানৰ মাজত সমন্বয় ঘটোৱাই হৈছে জনশক্তি পৰিকল্পনাৰ প্ৰধান উদ্দেশ্য।

ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলটো অৰ্থনৈতিক দিশত অতিকৈ পিছ পৰা। সেয়ে ভাৰতৰ আন আন ৰাজ্যৰ তুলনাত এই অঞ্চলটো যথেষ্ট অনগ্ৰসৰ হৈ আছে। অৰ্থনৈতিক উন্নয়ন সাধি এই অঞ্চলটোৰ অনগ্ৰসৰতা দূৰ কৰাৰ অৰ্থে ভাৰত চৰকাৰে ১৯৭২ খৃঃত উত্তৰ-পূব পৰিষদ নামে এটি অৰ্থনৈতিক অনুষ্ঠান গঠন কৰে। তেতিয়াৰে পৰাই এই অনুষ্ঠানটোৱে ভাৰত চৰকাৰৰ বিধি অনুসৰি অঞ্চলটোৰ অৰ্থনৈতিক প্ৰগতিৰ কাৰণে বিভিন্ন প্ৰচেষ্টা চলাই আহিছে। জনসাধাৰণক শিক্ষা-দীক্ষাৰে আগবঢ়াই অৰ্থাৎ উন্নীত কৰি তুলি অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত যাতে জড়িত কৰি তুলিব পাৰি তাৰ কাৰণে এই অনুষ্ঠানটোৱে বিশেষ চেষ্টা চলাই আহিছে।

উত্তৰ-পূব পৰিষদে মানৱ সম্পদ পৰিকল্পনা হাতত লৈ ইয়াৰ জৰিয়তে অঞ্চলটোৰ আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত মনোনিবেশ কৰিব লৈছে। এই অঞ্চলটোত কি কি কামৰ কাৰণে কেনেকুৱা ধৰণৰ জনসম্পদৰ প্ৰয়োজন সেইটো নিৰ্দ্ধাৰণ কৰাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছে। মানৱ সম্পদ পৰিকল্পনা নিৰ্ভৰ কৰে প্ৰকৃত মানৱ সম্পদৰ চাহিদা আৰু ইয়াৰ প্ৰকৃত তথ্যৰ ওপৰত। সেয়ে উত্তৰ পূব পৰিষদে ইয়াৰ পূৰ্বাভাস (Forecasting) পাবৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি বা কাৰ্য্যক্ৰম প্ৰস্তুত কৰি উলিয়াইছে। মানৱ সম্পদ বিষয়ৰ এটা সঠিক পূৰ্বাভাস পাবৰ কাৰণে উত্তৰ-পূব পৰিষদে

'IAMR' বা পূৰ্বাকৈ Institute of Applied Man-power Research (প্ৰয়োগিক জনশক্তি গৱেষণা প্ৰতিষ্ঠান) নামৰ অনুষ্ঠানটোৰ হাতত কিছুমান দায়িত্ব অৰ্পণ কৰিছে। এই প্ৰতিষ্ঠান-টোৱে ২০০০ চনলৈকে আগতীয়াকৈ যাতে বিভিন্ন তথ্য পাতি যুগুত কৰিব পাৰি তাৰ কাৰণে বিশেষ চেষ্টা চলাইছে। এই কামখিনি কৰিব লওঁতে এই অনুষ্ঠানটোৱে নানান সমস্যাৰ সন্মুখীন নোহোৱাকৈ থকা নাই। IAMR নামৰ অনুষ্ঠানটোৱে তথ্য-পাতি উলিওৱা মতে ২০০০ চনলৈকে এই অঞ্চল টোত ৩৫০৬ জন ডিপ্লমাধাৰী ইঞ্জিনিয়াৰ ৪৮৮৯ জন কৃষি গ্ৰেজুৱেট, ২৪৭৬ জন ভেটেনাৰী গ্ৰেজুৱেট, ১৪,৬৯১ জন কলা আৰু বাণিজ্য শাখাৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী আৰু ১৫.২৫৬ জন বিজ্ঞান গ্ৰেজুৱেটৰ আৱশ্যক হ'ব। ইয়াৰ উপৰি ৩৭৯৯ জন ড্ৰাফট্‌মেন ৩০১২ জন stock man আৰু ১০৫০ জন Forest Rangerৰ আৱশ্যক হ'ব। এইখিনি প্ৰয়োজন পূৰাব পাৰিলে উত্তৰ-পূৰ পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ সফল হব বুলি কব পাৰি।

উত্তৰ-পূৰ অঞ্চলৰ কাৰণে ১৯৮১ চনতে গঠন কৰা "National Committee on Development of Backward Areas" নামৰ কমিটিয়ে মানৱ সম্পদ পৰিকল্পনাৰ কাৰণে বিভিন্ন কাৰ্য্যক্ৰম ইতিমধ্যে হাতত লৈছে। এই কমিটিয়ে লক্ষ্য কৰে যে এই অঞ্চলসমূহত কাৰিকৰী জ্ঞান অৰ্হতা সম্পন্ন লোক (Technical personnel) অবিহনে অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱ হব নোৱাৰে। সেয়ে এই কমিটিয়ে কাৰিকৰী আৰু অকাৰিকৰী দুয়োবিধ লোকৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়ে। বিভিন্ন বিষয়ৰ Expert Committee নিয়োগ কৰি ইয়াৰ সহায়ত অঞ্চলটোৰ আৰু কিছুমান তথ্যপাতি উলিওৱাৰ চেষ্টা কৰা হৈছে।

উত্তৰ-পূৰ পৰিষদে অভিযান্ত্ৰিক (Engineering) প্ৰযুক্তি বিজ্ঞান (Technology), কৃষি আৰু আনু-ষংগিক বিষয়ত (Agriculture and Allied Subjects) অধিক গুৰুত্ব আৰোপ কৰি এই অনুষ্ঠান সমূহৰ সম্প্ৰসাৰণ, আধুনিকীকৰণ আৰু বিশেষীকৰণ কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰ ফলত অহা কেইবছৰ মানৰ ভিতৰত বহুতো ছাত্ৰ-ছাত্ৰী তাৰ পৰা কৃতকাৰ্য্যতাৰে ওলাই আহি অৰ্থ নৈতিক উন্নয়নৰ কামত সহায় কৰিবলৈ নিশ্চয় সমৰ্থ হ'ব। ইয়াৰ উপৰিও বিভিন্ন অৰ্থনৈতিক উন্নয়ন মূলক প্ৰকল্পসমূহত পাৰদৰ্শিতামূলক কৰ্মীৰ যোগান ধৰাৰ অৰ্থে উত্তৰ-পূৰ পৰিষদে বিভিন্ন পাঠ্যক্ৰমৰ দিহা কৰি আহিছে। এনে প্ৰশিক্ষণ আঁচনিসমূহ কৰ্মচাৰী আৰু প্ৰশাসনীয় বিভাগৰ (Department of personnel and Administrative) অধীনত চলাই অহা হৈছে।

উত্তৰ-পূৰ পৰিষদে শিক্ষা আৰু মানৱ সম্পদ পৰিকল্পনাৰ সংহতিৰ ওপৰতো যথেষ্ট গুৰুত্ব দি আহিছে। কাৰণ এনেকুৱা সংহতিৰ অবিহনে আঁচনি কাৰ্য্যকৰী সম্ভৱ হ'ব নোৱাৰে। পৰিষদে গুৱাহাটীত এটা Central Training Institute শিলচৰত Veterinery of School, যোৰহাটত Agricultural University, Fishery Training Institute, Sericulture Training Institute আৰু ত্ৰিপুৰাত Regional College of Physical Education আদি অনুষ্ঠানসমূহ গঢ়ি

তোলাত যথেষ্ট অৰিহণা আগবঢ়াইছে। বিশেষকৈ ৫ম, ৬ষ্ঠ আৰু ৭ম পৰিকল্পনাৰ কালছোৱাত এই ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল।

১৯৮৮ চনত Planning Commissionৰ সিদ্ধান্ত মৰ্মে ৮ম পৰিকল্পনাত ৰাজ্যিক চৰকাৰৰ সহায়ত পৰিবহন, যাতায়াত, জলসিঞ্চন, শক্তি আদিৰ সম্প্ৰসাৰণ ঘটাই নিয়োগৰ পৰিমাণ বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উত্তৰ-পূৰ পৰিষদে এনেকুৱা খণ্ডৰ উন্নয়নৰ কাৰণে ৮ টা Working Grouap সৃষ্টি কৰিছে। এই Working Group সমূহে এনেকুৱা ক্ষেত্ৰত থকা আসোঁৱাহ সমূহ দূৰ কৰাৰ লগতে দীৰ্ঘম্যাদী উন্নয়নৰ কাৰণে কিছুমান পৰামৰ্শও আগবঢ়াব।

উত্তৰ-পূৰ পৰিষদে এনেকুৱা ধৰণৰ মানৱ সম্পদ পৰিকল্পনা প্ৰস্তুত কৰি অঞ্চলটোৰ জন-সম্পদৰ উন্নয়ন তথা বিকাশ, বিনিয়োগ আদি কাৰ্য্যত মনোনিবেশ কৰি অঞ্চলটোৰ অধিক উন্নয়ন সম্ভৱ কৰি তুলিব বুলি আশা কৰিব পাৰি।

---

অসমত লোক-সংস্কৃতি এতিয়াও প্ৰাণময় আৰু জীৱন্ত হৈ আছে। প্ৰাচীন সামাজিক প্ৰথা, বিশ্বাস আৰু পূজা-পাতল, ক্ৰিয়া-কলাপৰ অজস্ৰ তথ্যপাতি অসমত আজিও আছে। অষ্ট্ৰিক, তিব্বত-বৰ্মী আৰু আৰ্য্য আদি বিভিন্ন ভাষাভাষী মানুহৰ সংমিশ্ৰণৰ ফলত ই অধিক জটিল আৰু ৰহস্যময় হৈ পৰিছে।

—ড° বিৰিঞ্চি কুমাৰ বৰুৱা।

# সংস্কৃতৰ মূৰ্দ্ধন্য আৰু উষ্ম ধ্বনিৰ উৎপত্তি-প্ৰয়োগ, অসমীয়াত ইয়াৰ উচ্চাৰণ

শ্ৰীযতীন চন্দ্ৰ মেধি
প্ৰবক্তা, অসমীয়া বিভাগ

[ সঙ্কেত-চিহ্ন আৰু সংক্ষিপ্ত ৰূপ—
> এটাৰ পৰা হোৱা। I. E. ইন্দো—ইউৰোপীয়। S. S´. S̲ —স, শ, ষ। Skt সংস্কৃত। Gk গ্ৰীক। Goth—গোথীক। Lat—লেটিন। Mag—মাগধী। সং— সংস্কৃত। অস অসমীয়া। r̥, ā— ঋ, আ। Prk—প্ৰাকৃত। ṭ, ṭh, ḍ, ḍh, ṇ ট, ঠ, ড, ঢ, ণ ]

সংস্কৃত ভাষাৰ ব্যঞ্জন ধ্বনিৰ উচ্চাৰণৰ অৱস্থান অনুসৰি স্পৰ্শ ব্যঞ্জনক আমি দুই ভাগত ভগাব পাৰো
( i ) Primary বা মুখ্য,
( ii ) Secondary বা গৌণ।

মুখ্য ধ্বনিৰ ভিতৰত কণ্ঠ্য (Velar), দন্ত্য (Dental), আৰু ঔষ্ঠ্য (Labial) আৰু গৌণ ধ্বনিৰ ভিতৰত তালব্য (Palatal) আৰু মূৰ্দ্ধন্য (Retroflex or Cerebral) ধ্বনিয়েই প্ৰধান।

যিবিলাক ধ্বনি মূলৰ পৰা পোনে পোনে আহি সংস্কৃতত প্ৰৱেশ কৰিছে সেইবোৰকে মুখ্য ধ্বনি বুলি কোৱা হয় আৰু যিবোৰ ধ্বনি মূলৰ পৰা পোনে পোনে নাহি আন আন অনাৰ্য ভাষাৰ মাজেদি আহিছে সেইবোৰক গৌণ ধ্বনি বুলি কোৱা হয়। আমাৰ এই লেখাৰ মূল কথা হ'ল সংস্কৃতৰ মূৰ্দ্ধন্য ধ্বনি আৰু উষ্ম ধ্বনিবোৰৰ উৎপত্তি কেনেকৈ হ'ল আৰু অসমীয়াত এইবোৰৰ কেনেধৰণৰ প্ৰয়োগ ঘটিল।

সংস্কৃতৰ মূৰ্দ্ধন্য ধ্বনি মূল ইন্দো-ইউৰোপীয় ভাষাৰ পৰা অহা নাই। I E. ভাষাত মূৰ্দ্ধন্য ধ্বনিৰ বাহিৰে আন সকলোবোৰ ধ্বনি পোৱা যায়। মূৰ্দ্ধন্য ধ্বনি মূল I.E. ভাষা তথা এই ভাষাৰ কোনো উপভাষাতো পাবলৈ নাই। আনকি সংস্কৃতৰ ভগ্নী সদৃশ আবেস্তা আৰু পাৰ্চীয়ান ভাষাতো এই ধ্বনি পোৱা নাযায়। সেই বাবেই সংস্কৃতত ই এক 'নতুন ধ্বনি বৰ্গ' হিচাপে স্বীকৃতি পাইছে। ইয়াত 'ṭ' মূৰ্দ্ধন্য 'ট' বৰ্গ বুলি কোৱা হয়। এই বৰ্গৰ ভিতৰুৱা ব্যঞ্জন সমূহ হ'ল - ট, ঠ, ড, ঢ, ণ ষ ( ṭ. ṭh, ḍ ḍh, ṇ, ṣ. )।

সংস্কৃতৰ মূৰ্দ্ধন্য ধ্বনিৰ উৎপত্তি সম্পৰ্কত বিভিন্ন পণ্ডিতে বিভিন্ন মত পোষণ কৰা দেখা যায়। Fortunator এ ক'ব বিচাৰে যে মূল I. E. ভাষাৰ দন্ত্য ধ্বনিৰ ক্ৰম-বিকাশ ঘটি সংস্কৃতত মূৰ্দ্ধন্য ধ্বনিৰ সৃষ্টি হৈছে।

Nhitneyয়েও সংস্কৃতৰ মূৰ্দ্ধন্য ধ্বনিবোৰৰ সৃষ্টিৰ ক্ষেত্ৰত একে মতকেই পোষণ কৰিব খোজে যদিও অলপ জুকিয়াই চালে তেওঁলোকৰ মতক সম্পূৰ্ণ শুদ্ধ বুলি ধৰি ল'ব নোৱাৰি।

Skt.—Vikṛta > Prk—Vikata,

Skt.—Kṛta > Prk--Kata কিন্তু

Skt.—Paṭati > Prk—Padai।

এইবোৰক মূলৰ লগত সংযুক্ত কৰিব নোৱাৰি। বহুতে ইয়াক দ্ৰাবিড়ীয় প্ৰভাব বুলি ক'ব খোজে। কিন্তু কিছুমান শব্দ অনাৰ্য মূলতো বিচাৰি পোৱা নাযায়। সেয়ে বহুতে ক'ব খোজে সংস্কৃতৰ মূৰ্দ্ধন্য ধ্বনি এক মিশ্ৰিত বৈশিষ্ট্যৰ অধিকাৰী।

Prof. Monier Williams এ কয় যে, "সংস্কৃতত থকা মূৰ্দ্ধন্য বৰ্ণ আদিতে অনাৰ্য জাতিৰ মাজতহে চলিত আছিল। হিন্দু সকলে এই উচ্চাৰণ অনাৰ্য জাতিৰ পৰা ধাৰ কৰা যেন লাগে। মূৰ্দ্ধন্য বৰ্ণ দ্ৰাবিড়ী (যেনে—তামিল, তেলেগু) ভাষাৰ প্ৰধান বিশেষত্ব আৰু আৰ্য ভাষা ৰাশিৰ ভিতৰত কেৱল ভাৰতীয় ভাষাতহে মূৰ্দ্ধন্য বৰ্ণ প্ৰচলিত থকা দেখা যায়। এতেকে হিন্দুসকলে দ্ৰাবিড়ী ভাষাৰ পৰাই মূৰ্দ্ধন্য বৰ্ণ ধাৰ কৰা সম্ভৱ।"

Prof Macdonell এ কয় যে "হিন্দু-ইৰাণ সমাজ একেলগে থকা যুগত মূৰ্দ্ধন্য বৰ্ণৰ অস্তিত্ব নাছিল, আৰু ভাৰতীয় আৰ্যসকলেহে শেষত মূৰ্দ্ধন্য বৰ্ণৰ উচ্চাৰণ গ্ৰহণ কৰিছিল। ঋগ্বেদত মূৰ্দ্ধন্য বৰ্ণৰ ব্যৱহাৰ বৰ কম। তাত আদি বৰ্ণ কেতিয়াও মূৰ্দ্ধন্য নহয়। শব্দৰ মাজত আৰু শেষতহে তেনে বৰ্ণ পোৱা যায়।" D' Hornle আৰু Jhon Beams এ কিন্তু উক্ত মত স্বীকাৰ কৰিব নোখোজে। তেওঁলোকে কয় যে "কোনো এক ৰকম অৰ্দ্ধ মূৰ্দ্ধন্য বৰ্ণ আদিম আৰ্য ভাষাত চলিত থাকিব পায়। কালক্ৰমত গৈ দুই শ্ৰেণীত বিভক্ত হৈ প্ৰকৃত দন্ত্য আৰু মূৰ্দ্ধন্য বৰ্ণ হ'ল।"

অসমীয়া বৰ্ণমালা বিচাৰ কৰিলে দেখা যায় যে সংস্কৃতৰ প্ৰায়বোৰ বৰ্ণই বানানত ব্যৱহাৰ হয়, কিন্তু উচ্চাৰণৰ ক্ষেত্ৰত পাৰ্থক্যাই দেখা দিয়ে। মূলৰ মূৰ্দ্ধন্য ধ্বনিৰ উচ্চাৰণ দন্তমূলীয় হোৱাত তিব্বত-বৰ্মী প্ৰভাৱ হয়তো আছে। একালে সংস্কৃত মূল আনহাতে তিব্বত-বৰ্মীৰ প্ৰভাৱ এই দুই কাৰণত অসমীয়াত প্ৰকৃত মূৰ্দ্ধন্য ধ্বনি পাবলৈ নাই। অৱশ্যে উচ্চাৰণ একেবাৰে নোহোৱা নহয়।

শব্দৰ আদিত বহিলে 'ড' আৰু 'ট' উচ্চাৰণ লৰচৰ নহয়; যেনে,—ডাক, ঢাক। দুটা পদ লগলাগি এটা শব্দ হলেও উচ্চাৰণ একে থাকে; যেনে ডগ্‌ডগী, ঢকৢঢক্। লেখোতে যদিও সংস্কৃতৰ লেখিয়াকৈ সকলোবোৰ বৰ্ণ যথাযথ ব্যৱহাৰ কৰেঁ।—উচ্চাৰণত তাৰ একো পাৰ্থক্য নাৰাখোঁ। 'খান' আৰু 'ঠাই' শব্দৰ আদি বৰ্ণ সংস্কৃতত 'স্থ'। আমি লেখোতে দুই ধৰণে লেখোঁ। কিন্তু উচ্চাৰণ একে ধৰণে কৰোঁ। 'মাটি' আৰু 'মাতি' শব্দৰ মূৰ্দ্ধন্য 'ট' আৰু দন্ত্য 'ত' ও একে ধৰণে উচ্চাৰিত হয়। কিছুমান শব্দ অসমীয়াত মূৰ্দ্ধন্য 'ঢ' আখৰেৰে লেখা হয় কিন্তু উচ্চাৰণত ইয়াক 'ৰ' নতুবা 'ৰ' আৰু 'হ' ক সংযুক্ত কৰি উচ্চাৰণ কৰা হয়। 'বুঢ়া', 'পঢ়া' আদি শব্দত 'বুৰা', 'পৰা' বা বুৰ্হা পৰ্হা হে হয়।

এইখিনিতে সংস্কৃতৰ উষ্ম ধ্বনিৰ উৎপত্তি আৰু ব্যৱহাৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা হওক।

সংস্কৃত ভাষাত আমি তিনিটা উষ্ম ধ্বনি (sibilants) পাওঁ। 'স' (s) 'শ' (ś) 'ষ' (ṣ)। ইহঁতৰ উদ্ভৱ আৰু ব্যৱহাৰ বিশেষ অধ্যয়নৰ বিষয়।

সংস্কৃতৰ স (s) ধ্বনি ইন্দো-ইউৰোপীয় ভাষাৰ মুখ্য দন্ত্য ধ্বনিৰ পৰা আহিছে। I.E.-es >skt asti, grk—esti, goth—ist, Eng—is। সংস্কৃত ভাষাত স (s) অঘোষ ধ্বনি ৰূপে উচ্চাৰিত হয়।

সংস্কৃতৰ তিনিটা উষ্ম ধ্বনিৰ ভিতৰত মহাৰাষ্ট্ৰী, শৌৰসেনী, অৰ্দ্ধমাগধী আৰু পৈশাসী প্ৰাকৃতত দন্ত্য 'স' ব্যৱহাৰ হয়। একমাত্ৰ মাগধী প্ৰাকৃতত 'শ'ৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। যেনে মা. keś eś u কিন্তু শৌ kesesu। কেতিয়াবা কেতিয়াবা 'স' 'শ' 'ষ'—ৰ ঠাইত হ (h) পোৱা যায়। যেনে- skt. Pratyuṣa > mag. Paccū ha। (s > h) kamasya > kamaha। (s > h) eś a > eha (ś > h).

সংস্কৃতৰ তালব্য 'শ' (ś) ধ্বনি I.E. ভাষাৰ তালব্য 'k' ৰ জৰিয়তে আহিছে। ইন্দো-ইউৰোপীয় (I.E) ভাষাৰ প্ৰধান ভাগ দুটা কেন্টুম আৰু শতম্। কেন্টুম বৰ্গৰ 'k' ধ্বনিৰ পৰিবৰ্ত্তন হৈ সংস্কৃতত 'শ' (ś) হ'ল। যেনে—I.E. Peku gk. Peku, skt. Paśu (k > ś) gk deka skt daśa (k > ś).

সংস্কৃতৰ মূৰ্দ্ধন্য 'ষ' (ṣ) ধ্বনিৰ মূল নিৰ্দ্ধাৰণ কৰিব পৰা নেযায় যদিও কিছুমান বিশেষ অৱস্থাত আমি মূৰ্দ্ধন্য 'ষ' ৰ ব্যৱহাৰ দেখিবলৈ পাওঁ। হয়তো দন্ত্য 'স' ৰ ধ্বনিগত বিকাৰ ঘটি সংস্কৃতত 'ষ' হ'ব পাৰে। যেনে—Lat—sex, goth—saihs, skt—ṣat (six) gk - mūs, oldEng- mūs, skt—mūṣ (mouse) কিছুমান বিশেষ বিশেষ অৱস্থানত মূৰ্দ্ধন্য 'ষ' ৰ ব্যৱহাৰ হোৱা দেখা যায়।

'e'—ৰ পাছত 'ষ' (ṣ) ধ্বনি ব্যৱহাৰ হয়। যেনে—naresu, কিন্তু lat$_a$su।
'ṛ'/'ṝ'—ৰ পাছত ṣ পোৱা যায়; pitṛ ṣu।
'k' ৰ পাছত 'ṣ' পোৱা যায়; dikṣu, mokṣu ইত্যাদি।

অসমীয়া ভাষাৰ মূল সংস্কৃত। উষ্ম ধ্বনি সমূহ অসমীয়াত ব্যৱহাৰ হওঁতেও কেতিয়াবা মূলৰ লেখিয়াকৈ আৰু কেতিয়াবা পৰিবৰ্ত্তিত ৰূপত ব্যৱহাৰ হয়। যিবোৰ শব্দ মূলত থকাৰ দৰেই ব্যৱহাৰ হয় সেইবোৰক তৎসম শব্দ বোলা হয়। সংস্কৃতৰ পৰা প্ৰাকৃতৰ মাজেদি বিকাশ ঘটি যিবোৰ শব্দ অসমীয়াত প্ৰৱেশ ঘটিছে সেইবোৰক কোৱা হয় তদ্ভৱ শব্দ।

সংস্কৃতৰ উষ্মধ্বনিসমূহ অসমীয়াত ব্যৱহাৰ হওঁতে ব্যৱহাৰৰ স্বৰূপ আৰু অৱস্থান অনুসৰি বেলেগ বেলেগ ধৰণে উচ্চাৰিত হয়। 'স', 'শ', 'ষ'—ৰ উচ্চাৰণ অসমীয়াত পদাদিস্থানত আৰু অসংযুক্তৰূপত 'স'—ৰ দৰে হয়; যেনে—

সং— শৰ, অস— সৰ

সং— ষণ্ড— অস— সাঁৰ/সাৰ।

'শ' 'ষ' 'স'—আন ব্যঞ্জনৰ লগত সংযুক্ত হৈ থাকিলে 'চ' ৰূপে উচ্চাৰিত হয়। যেনে—কৃষ্ণ, নিশ্চয়, উৎসৱ ইত্যাদি। সংযুক্ত ব্যঞ্জনৰ যদি প্ৰথমৰ ধ্বনিটো 'ৰ' বা অনুস্বাৰ (ং) হয় তেতিয়া উষ্ম ধ্বনি কেইটা 'স' ৰূপে উচ্চাৰিত হয়।

যেনে সং দৰ্শন অস দৰ্‌সন
সং বংশ অস বঙ্‌স।

সংখ্যাবাচক শব্দত উষ্মধ্বনি 'চ' ৰূপে উচ্চাৰিত হয়। যেনে সং বিংশতি অস বিচ্‌। সংস্কৃত 'দশ' শব্দৰ দচ্‌ আৰু দহ এই দুটা ৰূপ পোৱা যায়। বহুত সংস্কৃত শব্দৰ 'শ' অসমীয়াত 'হ' উচ্চাৰণ হয়। যেনে সং দংশ, অস—ডাঁহ। সং শ্বশুৰ, অস—শহুৰ। কেতিয়াবা - কেতিয়াবা 'স' 'ষ'-- ৰ উচ্চাৰণ অসমীয়াত 'হ' আৰু 'খ' হয়। যেনে সং—ৰস, অস- ৰহ/ৰখ।
সং—বিষ, অস বিহ/বিখ।

বহুতো সংস্কৃত শব্দৰ 'ষ' ৰ উচ্চাৰণ অসমীয়াত 'হ' হয়। যেনে –সং, তুষ—অস তুহঁ।
সং মাষ– অস মাহ।

ওপৰৰ আলোচনাৰ পৰা আমি ইয়াকে বুজিব পাৰো যে বানানৰ ক্ষেত্ৰৰ যদিও আমি অৰ্থ আৰু মূল অনুযায়ী তিনিটা উষ্মধ্বনি ব্যৱহাৰ কৰো তথাপি সকলো উষ্মধ্বনিৰে প্ৰতিনিধিত্ব কৰে 'স' বৰ্ণইহে। যদিও এই 'স' ৰ উচ্চাৰণ সকলো ক্ষেত্ৰতে একে নহয়। শেষত ড'ব্ৰন্সনৰ ভাষাৰে আলোচনাৰ মোখনি মাৰিব পাৰি। ড° ব্ৰন্সনৰ অসমীয়া অভি-ধানৰ পাতনিত কোৱা হৈছিল– "ছ" হলে অচমিআ ভাসাত কোনো কথাত উচ্চাৰিত নহই। 'জ' আৰু 'য' ৰ 'জ'-ৰ হে মাত্ৰ ব্যৱহাৰ আছিল।" অন্ত্য য সম্পৰ্কে তাত কোৱা হৈছিল– "এই আখৰ (য) অচমিআ ভাসাত 'জ' ৰ নিচিনাকৈ মাতে। ফলত জদি, জতৰ জতন হে হৈছিল। -- যদি, যতৰ, যতন নহৈছিল।" আকৌ অসমীয়া শ, ষ, স সম্পৰ্কেও সেই একে সমীকৰণ প্ৰথাকে অনুসৰণ কৰি কোৱা হৈছিল "শ, ষ, স এই তিনি আখৰৰ উচ্চাৰণ অচমিআ ভাষাত একে পোআত কেৱল স হে ৰখাৰ প্ৰয়োজন।"

---

প্ৰৱন্ধটি যুগুত কৰাত সহায়ক গ্ৰন্থসমূহ হ'ল—

1. মেধি, কালিৰাম: "অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব।"
2. গোস্বামী, উপেন্দ্ৰনাথ: অসমীয়া ভাষাৰ ৰূপ-কথা।"
3. বৰুৱা, অতুল চন্দ্ৰ: অসমীয়া অভিধান আৰু ভাষা।"
4. Goswami, G. C.: Structure of Assamese."
5. Kakati, B. K.: "Assamese its formation and Development."
6. Biswas, Sukumar: "A Comparative Old Indo-Aryan Grammar."

# বকো অঞ্চলৰ স্থানবাচক (শব্দ সমূহৰ) নামকৰণত এভুমুকি

শ্ৰীধৰ্মকান্ত বৰুৱা
প্ৰবক্তা, অসমীয়া বিভাগ।

বকো এখন জনজাতি অধ্যুষিত অঞ্চল যদিও ইয়াৰ স্থানবাচক (শব্দ সমূহৰ) নামকৰণত ভিন্ ভিন্ জনগোষ্ঠীৰ অৰিহণাও মন কৰিবলগীয়া। এই অঞ্চলৰ স্থানবাচক (শব্দ সমূহৰ) নামকৰণ বিশেষকৈ আৰ্য অষ্ট্ৰিক, তিব্বত-বৰ্মীয় ভাষা গোষ্ঠীৰ প্ৰভাৱত গঢ়ি উঠা। সেয়েহে, বকো অঞ্চলৰ স্থানবাচক (শব্দ সমূহৰ) পৰ্যালোচনাৰ পূৰ্বে কি কি দিশ আৰু কি কি কাৰণৰ ওপৰত ভিত্তি কৰি আলোচ্য প্ৰবন্ধত আলোচনা হ'ব পাৰে নাইবা তাৰ মূল্যায়ন কৰিব পাৰি তাৰহে প্ৰথমে আলোচন আগবঢ়োৱা হ'ল।

মানৱ সমাজ অনুসন্ধিৎসু প্ৰৱণ আৰু কৌতূহল প্ৰিয়। নজনাক জানিবৰ আগ্ৰহ, অথবা নেদেখাক চোৱাৰ হাবিয়াস নাইবা পৰ্যবেক্ষণ দৃষ্টিৰে যিকোনো বস্তুৰ প্ৰতি দৃষ্টিপাত কৰা মানৱ সমাজৰ মজ্জাগত স্বভাৱ। সেয়েহে আদিম মানৱে লাগতিয়াল বা অলাগতিয়াল প্ৰত্যেক বস্তুৰে নামকৰণ কৰোঁতে বস্তুটোৰ আকৃতি, প্ৰকৃতি নাইবা গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰিছিল। এনে ধৰণৰ প্ৰচেষ্টা আজিৰ যুগতো অব্যাহত হৈ আছে। সেইদৰে প্ৰত্যেক দেশৰ ঠাইৰ নামতো বহুতো কৌতূহল সংযোজিত হৈ থাকে। বিশেষকৈ ভাষা, নৃতত্ব, সাংস্কৃতিক ভৌগোলিক, বুৰঞ্জীমূলক অনেক তথ্যৰে যিকোনো ঠাইৰ প্ৰতিটি নাম জড়িত। সেয়েহে প্ৰাচীন ঐতিহ্য, কিম্বদন্তী, কাহিনী, লোকাচাৰ, উপকথাই ঠাইৰ নামৰ মাজেদি চিৰস্থায়ীয় হৈ ৰয়।

বৰ্ত্তমান দেশৰ পুৰাতত্ব বিভাগেও ঠাইৰ নামৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। কাৰণ ইয়ে বিভিন্ন যুগৰ লোক প্ৰব্ৰজনৰ পৰিচয় আৰু কীৰ্তি কলাপ দাঙি ধৰোঁতে বিশেষভাৱে সহায় আৰু অৰিহণা আগবঢ়ায়। আমাৰ অসমৰ ঠাইৰ নামসমূহ কেৱল সংস্কৃত শব্দাৱলীৰে গঢ়ি উঠা নাইঃ বৰং অষ্ট্ৰিক দ্ৰাবিড়, তিব্বত বৰ্মীয় নাইবা মংগোলীয় গোষ্ঠীৰ সংমিশ্ৰণত আমাৰ প্ৰদেশৰ ঠাইৰ নামত বহুলাংশে প্ৰভাৱ পৰা দেখা যায়। কেৱল সেই-বোৰৰ যথাযথ অধ্যয়ন আৰু পৰ্যালোচনা নোহোৱাৰ হেতু আজিও অজ্ঞান এন্ধাৰত অচিনাকি ৰূপে ৰৈ আছে।

সেইদৰে ভাষাবিজ্ঞানীসকলেও সকলো অঞ্চলৰ ঠাইৰ নামবোৰৰ পুংখানুপুংখ বিশ্লেষণ বা সমভাৱে বিস্তৃত অধ্যয়ন নকৰাৰ ফলতো ভালেমান ঠাইৰ স্থানবাচক নামৰ উৎপত্তি সম্পৰ্কে আজিও জানিব পৰা হৈ উঠা নাই। গতিকে সম্যক জ্ঞান পাবলৈ হ'লে ঠাইৰ নামবোৰৰ প্ৰকৃত অধ্যয়ন নিতান্ত দৰকাৰ। সি যি কি নহওক, ভাষা বিজ্ঞানীসকলে স্থানবাচক (শব্দ সমূহৰ) নামবোৰ প্ৰধানকৈ দুটা

দিশৰপৰা অধ্যয়ন কৰা দেখা যায়। তাৰে এটা হ'ল সাংস্কৃতিক দিশ আৰু আনটো হ'ল ভাষা–তাত্বিক। সাংস্কৃতিক দিশৰ পম খেদি ফুৰা পূজাৰী-সকলে কাৰণসমূহ নিম্নোক্ত ধৰণে ব্যাখ্যা কৰে।

ক) দেৱ দেৱী, ৰজা–মহাৰজা অথবা প্ৰভাৱশালী ব্যক্তি বিশেষৰ নাম বা উপাধি অনুসৰি কিছুমান ঠাইৰ নামকৰণ কৰা হয় যেনে –হৰিপুৰ ত্ৰিলোচন চক্ৰপাণি, ৰাজাবাৰী ৰায়পাৰা বৰুৱা ডাকুৱাপাৰা ডেকাপাৰা ইত্যাদি।

খ) লোক বিশ্বাস উপকথা বা কিম্বদন্তীৰ ওপৰত নিৰ্ভৰ কৰি কিছুমান ঠাইৰ নামকৰণ কৰা হয়। যেনে –ভালুকঘাট, বাঘৰগাওঁ গোহালকোণ, পাৰ্বতী পাহাৰ, জাখলা, কেন্দুগুৰি ভাদলীপাৰা বাদুলী-পাৰা), খাটলপাৰা ইত্যাদি।

গ) ঐতিহাসিক আৰু ঘটনাপ্ৰসূতৰ ওপৰত নিৰ্ভৰ কৰি কিছুমান ঠাইৰ নামকৰণ কৰা হয়। যেনে ছমৰীয়া, খট্খটী ডিলিঙা, নাবেঙা, পয়ৰংগা বড়পাৰা (বৰপাৰা), ৰাজাবাৰী, বকো, আটনিআটী, শিশা-পীঠ ইত্যাদি।

ঘ) প্ৰাকৃতিক আৰু ভৌগোলিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি কিছুমান ঠাইৰ নামকৰণ কৰা হয়। যেনে –হাঁহিম মৌমান আগচিৰা, ভোগদা-বাৰী বাক্ৰাপাৰা, নাঙলকোণা ইত্যাদি।

এইবোৰৰ উপৰিও বিস্তৃত অঞ্চলজুৰি ব্যাপি থকা গছ গছনি আৰু জীৱ-জন্তুৰ সহজলভ্য সম্ভাবনীয়তাৰ ওপৰত নিৰ্ভৰ কৰিও কিছুমান ঠাইৰ নামকৰণ কৰা হয়। যেনে চেগুণবাৰী, শালবাৰী, সিজুবাৰী, বেলপাৰা, শিমিলা, বাঘবগাঁও, ভালুকঘাটা, হাতীগাঁও ইত্যাদি। আনহাতে বহুবিধ মাছ-কাছ (অসমৰ) নদ-নদী বিল আদিত প্ৰচুৰ পৰিমাণে পোৱা যায় কাৰণে কিছুমান ঠাইৰ নামকৰণো এইবোৰৰ ওপৰত ভিত্তি কৰি ৰখা হৈছে। যেনে—কাৱৈমাৰি, ছুবাপাৰা, শিঙিমাৰি, গৰৈমাৰি, বৰাশিমাৰা, শ'লমাৰি, গড়কাপাৰা, নাবেঙা ইত্যাদি।

আনকি জাতি বা ব্যৱসায়ৰ নামানুসৰিও কিছুমান ঠাইৰ নাম ৰখা হৈছে। যেনে—কুমাৰ-পাৰা, হিৰাপাৰা, ৰাভাগাঁও, গাৰোপাৰা, ৰায়পাৰা, খামাৰগাঁও (কমাৰগাঁও) ইত্যাদি।

ভাষাতত্বৰ পিনৰ পৰা স্থানবাচক (শব্দসমূহৰ) ঠাইসমূহৰ আলোচনা বিশেষ তাৎপৰ্যপূৰ্ণ। কাৰণ এই স্থানবাচক ঠাইৰ নামবোৰ ভিন্ ভিন্ জন-গোষ্ঠীৰ প্ৰভাৱৰ ফলত হোৱা বুলি অনুমান কৰিব পাৰি। অসমৰ স্থানবাচক ঠাইৰ নাম সমূহ বিশেষকৈ সংস্কৃত, অষ্ট্ৰিক, দ্ৰাবিড়, তিব্বত-বৰ্মীয় ভাষা গোষ্ঠীৰ অৰ্থাৎ মঙ্গোলীয় গোষ্ঠীৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। সেয়েহে ঠাইৰ নামসমূহৰ প্ৰকৃত বিশ্লেষণ আগবঢ়াবলৈ হ'লে ভিন্ ভিন্ ভাষা-গোষ্ঠীৰ ভাষাৰ সতে পৰিচয় থাকিব লাগে। তেতিয়াহে তাৰ প্ৰকৃত বিশ্লেষণ বা পৰ্যালোচনা সম্ভৱপৰ হৈ উঠিব। অন্যথায় তাৰ প্ৰকৃত মূল্যায়ন নহয়। ভাষাতত্বৰ পিনৰ পৰা আমাৰ আলোচ্য বকো অঞ্চলৰ স্থানবাচক (ঠাইৰ) নামসমূহৰ আলোচনা তেনেই উজু নহয়। কাৰণ বকো এখন জনজাতি অধ্যুষিত অঞ্চল। এই অঞ্চলৰ ঠাইৰ নামসমূহ যদিও বৰ্তমান আৰ্যীকৰণ কৰা হৈছে আদিতে এইবোৰ জন-জাতীয় প্ৰভাৱত গঢ়ি উঠা। অসমৰ স্থানবাচক (ঠাইৰ) নামসমূহত

যেনেকৈ সংস্কৃত, অষ্ট্রিক, দ্রাবিড়, তিব্বত-বর্মীয় বা মংগোলীয় গোষ্ঠীৰ গোন্ধ পোৱা যায়, সেইদৰে বকো অঞ্চলৰ ঠাইৰ নামসমূহো সেই গোন্ধৰ ব্যতিক্রম নহয়। কিন্তু এইটো খাটাংকৈ ক'ব পাৰি যে বকো অঞ্চলৰ ঠাইৰ নামকৰণ তিব্বত-বৰ্মীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত বড়ো শাখা ভাষাৰ প্ৰভাৱত গঢ় লৈ উঠিছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে আমাৰ আলোচ্য বিষয়ৰ প্ৰকৃত আলোচনা কৰিবলৈ হ'লে আগতে উল্লেখ কৰা ভাষাবোৰৰ জ্ঞান থকা নিতান্ত আৱশ্যক। তেতিয়াহে ই শুদ্ধ আৰু নিৰ্ভুল আলোচনা হ'ব। সি যি কি নহওক, আঞ্চলিক ভিত্তিত গঢ়ি উঠা বকো অঞ্চলৰ কিছুমান ঠাইৰ নামকৰণৰ চমু পৰিচয় সাংস্কৃতিক দিশ তথা সংগৃহীত তথ্যৰ ভিত্তিত তলত দাঙি ধৰা হ'ল।

বড়পাৰা (বৰপাৰা): সাধাৰণতে 'বড়ো' গোষ্ঠীৰ লোকে চুবা বা চুবুৰী পাতি থাকিবলৈ লোৱাৰপৰা ঠাইখনৰ নাম বড়পাৰা (বৰপাৰা) হোৱা বুলি কিছুমান লোকে অনুমান কৰে। কাৰণ বকো অঞ্চলৰ অধিবাসীসকলে 'বড়ো' শব্দটো 'বড়্-অ' ৰূপে উচ্চাৰণ কৰে। সময়ত 'বড়্-অ' ৰূপৰ লগত (যেতিয়া বড়ো লোকসকলে গাঁও পাতি থাকিবলৈ ললে) "পাৰা" শব্দাংশ যোগ হৈ সি 'বড়পাৰা' (বৰপাৰা) নামে জনাজাত হ'ল আৰু শেষত ই ডাঙৰ গাঁও বুজোৱা অৰ্থত ব্যৱহাৰ হ'বলৈ ধৰিলে।

কিম্বদন্তীমতে বকোৰ সাপ্তাহিক (শনিবাৰে বহা) বজাৰৰ দাঁতিত এটা বৰ শিল (ডাঙৰ শিল) আছে। এই বৰশিল ডুখুৰীত বহি বকো মৌজাৰ বৰলোকে (মুখিয়াল লোকে) মৌজাৰ দোষী লোকৰ বিচাৰ কৰিছিল। এই বিচাৰ কেতিয়াবা এসপ্তাহলৈ চলিছিল। সেই বৰ শিলত কেবল মৌজাৰ মুখিয়াল লোক সকলেহে বহিবলৈ স্থান পাইছিল। এই বৰ শিল ডুখুৰীত বহি মৌজাৰ বৰ (ডাঙৰ) লোকে দোষীলোকৰ বিচাৰ কৰাৰ কাৰণে ঠাইডোখৰৰ নাম বড়পাৰা (বৰ্ত্তমান বৰপাৰা) হোৱা বুলি অনুমান কৰে। এই বৰ শিলটো বকো সাপ্তাহিক বজাৰৰ দাঁতিত এতিয়াও অসংৰক্ষিত অৱস্থাত থকালৈ চাই এইটোও বিশেষ মন কৰিবলগীয়া।

আগচিয়া: বড়ো ভাষাৰ 'গচো' শব্দৰ পৰা হোৱা 'আগচ্' শব্দৰ অৰ্থ হ'ল বাধা জন্মোৱা বা বাট ভেটি ধৰা আৰু 'চিয়া' (বড়ো ভাষাত 'সিয়া') শব্দাংশই 'সৰু' বুজোৱা অৰ্থ সূচায়; মুঠতে এটা ডাঙৰ পথৰ মাজভাগত সৰুকৈ পথ এটা ৰাখি বাকী কাষৰ অংশ দুটা বন্ধ কৰি ৰখা অৰ্থ বুজোৱা অৰ্থত ব্যৱহাৰ কৰে। আনহাতে যিকোনো বস্তুৰ আগভাগ সৰু বুজাবলৈও শব্দটো ব্যৱহাৰ কৰা হয়। সেইদৰে সংস্কৃত 'অগ্ৰ' শব্দৰ পৰা হোৱা অসমীয়া "আগ" শব্দত বড়ো ভাষাৰ 'চিয়া' (সিয়া) শব্দাংশ লগ লগাইও "আগচিয়া" শব্দটো হৈছে বা থাৱৰ কৰিব পাৰি।

কিম্বদন্তী মতে বকোৰ ৰজা উত্তৰা সিংহৰ দিনত মানৰ তৃতীয় আক্ৰমণ হয়; এই আক্ৰমণক বাধা দিবৰ বাবে পোনতে বকো ৰজাই 'আগচিয়া' নামৰ ঠাই ডোখৰত ভেটিবৰ চেষ্টাকৰা কাৰণে ঠাইডোখৰৰ নাম "আগচিয়া" হৈছে।

**ডাকুৱাপাৰা :** বড়ো ভাষাত 'দাও' শব্দই চৰাইক বুজায়। সময়ত ই 'ডাউক' চৰাইক বুজাবলৈ ল'লে। এইবিধ চৰাই জোপোহা বন বা খাল বা বিলৰ পাৰত থকা বিহলঙনী বনত থাকিবলৈ ভাল পায়। এসময়ত হয়তো বৰ্তমানৰ ডাকুৱাপাৰাৰ অৱস্থিতিয়ে তেনেকুৱা অৱস্থাৰ কথাকে সূচায়। বৰ্ত্তমান যিটো চৰাইক 'ডাউক' বুলি কোৱা হয় সেই চৰাইটোক আঞ্চলিক উপভাষাত 'ডাক' চৰাই বুলি কয়। এই চৰাইটোৱে ৰাতি নৌপুৱাৰ পৰা গধূলি পৰলৈ মাত মাতি থকাৰ বাবেও কিছুমানে 'ডাকুৱা' চৰাই বুলি কোৱাও শুনা যায়। সি যি কি নহওক, আঞ্চলিক ভাষাৰ শব্দ 'ডাক'ৰ লগত 'উৱা' প্ৰত্যয় লগলাগি 'ডাকুৱা' শব্দটো হোৱা কথাটোও মনকৰিবলগীয়া। এই 'ডাকুৱা' শব্দটোৰ লগত 'পাৰা' শব্দাংশ লগ লাগি "ডাকুৱাপাৰা" স্থানবাচক শব্দটো নিষ্পন্ন হোৱাটো যুক্তি নথকা নহয়। সেইদৰে সংস্কৃত "ডাহুক" শব্দৰ পৰা 'ডাউক' শব্দটো হৈছে। গতিকে বড়ো আৰু সংস্কৃত ভাষাৰ দুয়োটা শব্দই চৰাইক বুজোৱা অৰ্থত ব্যৱহাৰ হয়। সম্ভৱত যিডোখৰ ঠাইত সৰহ সংখ্যক 'ডাক' চৰাইৰ বসবাস আৰু মাত শুনা গৈছিল, সেই ডোখৰ ঠাইক বুজাবলৈ পৰিশেহত 'ডাকুৱাপাৰা' বুলিবলৈ ললে।

জন প্ৰবাদ মতে বকো ৰজাৰ 'ডাকুৱা' উপাধিধাৰী কোনোবা ৰাজবিষয়াই পোনতে সেই ঠাই ডোখৰত থাকিবলৈ লোৱাৰপৰা তাৰ নাম ডাকুৱাপাৰা হ'ল বুলি ভবা মতবাদো মনকৰিবলগীয়া। বকোৰ আঞ্চলিক উপ-ভাষাত 'ডাকুৱাপাৰা'ক 'ডাউকাপাৰা' ৰূপে উচ্চাৰণ কৰা হয়।

বৰ্তমান আন কিছুমানে কব খোজে যে, ডাক-পত্ৰৰ প্ৰথম কাৰ্যালয় আৰু ডাক-পত্ৰ অনা-নিয়া কৰা লোকৰ বাসস্থান হোৱা হেতুকে ঠাই ডোখৰৰ নাম 'ডাকুৱাপাৰা' হৈছে। এই মন্তব্যটোও মানি লোৱাৰ থল নথকা নহয়। আনহাতে বকোৰ আঞ্চলিক উপ-ভাষাত উচ্চ মধ্য বা নিম্ন মধ্য (ও/অ) স্বৰধ্বনি উচ্চ স্বৰধ্বনি ৰূপে উচ্চাৰিত হোৱাৰো দৃষ্টান্ত পোৱা যায়। সেইফালৰ পৰা 'ডাকোৱাল' শব্দটো ডাকুৱাল হোৱাৰ সম্ভাৱনীয়তা নুই কৰিব নোৱাৰি। শেহত জনসাধাৰণৰ মুখত পাৰ্শ্বিক ল) ধ্বনিৰ উচ্চাৰণ নহৈ কেৱল 'ডাকুৱা' শব্দটো উচ্চাৰণ হবলৈ ধৰা যেন অনুমান হয়। পৰিশেষত এই 'ডাকুৱা' শব্দৰ লগত 'পাৰা' শব্দাংশ যোগ হৈ 'ডাকুৱাপাৰা' হোৱাতো যুক্তি নথকা নহয়।

**পচলা কাট** (পাচলা-কোঠ): কিম্বদন্তীমতে বকোৰ ৰজা উত্তৰা সিংহৰ দিনত মানৰ তৃতীয় আক্ৰমণ হয়। এই আক্ৰমণত তিষ্ঠিব নোৱাৰি ভৈয়ামৰ বহুলোক পৰ্বত পাহাৰে, দিহিঙে-দিপাঙে পলাই যায়। আনকি বনগাঁও ৰাজ্যৰ ৰজা সত্ৰাজিৎ সিংহ আৰু লুকী ৰাজ্যৰ ৰজা হৰিদত্ত সিংহইও পাহাৰলৈ পলাই গৈছিল। মানৰ এই আক্ৰমণত বকোৰ ৰজা উত্তৰা সিংহই বীৰদৰ্পে বাধা দিবলৈ চেষ্টা কৰোঁতে, তেওঁৰ সৈন্য আৰু সাধাৰণ প্ৰজাক মান সৈন্যই 'পচলা'ৰ (সিজাই খাবলৈ অনা কল পুলিৰ) দৰে কচ্‌কচ্‌কৈ সেই ঠাইডোখৰত কটা কাৰণে ঠাইডোখৰৰ নাম হেনো 'পচ্‌লা কাট' হৈছে।

আকৌ কিছুমানৰমতে ঠাই ডোখৰৰ নাম 'পচলা কাট' নহয়। আচলতে ইয়াৰ নাম 'পাচ্‌লা কোঠহে।'

এই 'পাচ্‌লা কোঠ' সম্পৰ্কেও কিছুমানে ক'ব খোজে যে, বকো ৰজাব ( ৰজাজনৰ নাম জনা নাযায় ) দুৰ্বলতাৰ সুযোগ লৈ ( সম্ভৱতঃ ১৮ শতিকাৰ শেষ দশকত ) শক্তিশালী লুকী ৰাজ্যৰ ৰজা হৰিদত্তই তেওঁৰ ভাতৃদ্বয় উত্তৰা সিংহ আৰু সত্ৰাজিৎ সিংহক বকো আৰু বনগাঁও ৰাজ্য আক্ৰমণ কৰিবলৈ পঠিয়ায়। সুনিপুণ সৈন্যৰে সজ্জিত হৈ যেতিয়া বকো ৰাজ্যলৈ লুকী ৰজাৰ ভাতৃদ্বয় আহিছিল, তেতিয়া বকো ৰজাই পোনতে যি ঠাইত বাধা দিছিল, সেই ঠাইত শত্ৰুৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি বৰ্তমান ৰাজাবাৰীৰ পশ্চিমত বকো নৈৰ পূব পাৰে থকা 'পাচ্‌লাকোঠ' নামৰ ঠাইডোখৰত দ্বিতীয়বাৰৰ বাবে লুকী সৈন্যক বাধা দিবৰ কাৰণে বকো ৰজাই কোঠ মাৰিছিল। অৰ্থাৎ দ্বিতীয়বাৰৰ বাবে শত্ৰুক বাধা দিবৰ বাবে যি ঠাইত সৈন্যৰ কোঠ পাতি আছিল, সেই ঠাইডোখৰৰ নামেই সময়ত 'পাচ্‌লাকোঠ' নামে জনাজাত হ'ল।

**খাটলপাৰা ঃ** বৰ্তমান বকো চক্ৰৰ বনগাঁও মৌজাৰ অন্তৰ্গত বকোৰ দক্ষিণে অৱস্থিত এখন গাঁও। জনশ্ৰুতিমতে যিসকল লোকে খাট্‌লা ( ৰজাই ফুৰা-চকাৰ বাবে ব্যৱহাৰ কৰা চাৰি চুকীয়া দোলা) কঢ়িয়াই ফুৰিব লাগিছিল, সেইসকল লোকক এঠাইত গাঁও পাতি থাকিবলৈ দিছিল, সেইসকল লোকে সেই ঠাইত থাকিবলৈ লোৱাৰ কাৰণে ঠাইডোখৰৰ নাম 'খাট্‌ল পাৰা' হ'ল।

**কাটল/কুটল গাঁও ঃ** জন প্ৰবাদমতে বকো মৌজাৰ ভিতৰত বৃটিছ গৱৰ্ণমেণ্টে এইখন গাঁৱতে পোনতে জৰীপৰ কাম আৰু কৰ কাটল নিৰ্ধাৰণ কৰা বাবে গাঁওখনৰ নাম কাটল গাঁও ৰখা হৈছে।

**ভাদ্‌লীপাৰা (বাদুলীপাৰা) ঃ** বকোৰ আঞ্চলিক উপ-ভাষাত বাদুলীক ভাদলী ৰূপে উচ্চাৰণ কৰে। লোক প্ৰবাদমতে বাঁহ জাতীয় গছ-গছনিৰে ভৰপূৰ অঞ্চলটোত এসময়ত বাদুলী জাতীয় প্ৰাণীৰ প্ৰাদুৰ্ভাৱ প্ৰচুৰ আছিল। বাদুলীৰ প্ৰাদুৰ্ভাৱ বেছি হোৱাৰ কাৰণে পোনতে কোনো মানুহে সেই ঠাইত বা অঞ্চলত বসবাস কৰিবলৈ সাহস গোটাব পৰা নাছিল। কিন্তু যেতিয়া বাদুলীৰ অতিচাৰে বৈৰী ভাও ললে তেতিয়া এচাম সাহসী লোকে গছ-গছনি চিকুণাই বাদুলী নিধন যজ্ঞ আৰম্ভ কৰিলে। বাদুলীৰ প্ৰাদুৰ্ভাৱ নোহোৱা কৰি মানুহে থাকিবলৈ লোৱাৰ বাবে ঠাই ডোখৰৰ নাম ভাদ্‌লীপাৰা ( বাদুলীপাৰা) ৰখা হ'ল বুলি বহুতে ক'ব খোজে।

**পাৰ্বতী পাহাৰ ঃ** জনজাতি লোক সকল সাধাৰণতে শিৱৰ উপাসক। ভক্ত সকলৰ শিৱ দেৱতাৰ প্ৰতি ভক্তি অসীম। সেইদৰে শিৱই ভক্ত সকলৰ অচলা ভক্তিত সহজে সন্তুষ্ট হয় বুলি তেওঁসকলৰ মাজত গভীৰ বিশ্বাস আছে। জন প্ৰবাদ মতে শিৱই ভক্তসকলৰ অপায় অমংগলৰ বুজ লবলৈ আৰু দূৰীকৰণৰ হেতু সময়ে সময়ে ভক্তসকলৰ আশে-পাশে ভ্ৰমণ কৰি ফুৰে। এবাৰ খেতি চপোৱাৰ পিছত অৰ্থাৎ পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা শিৱই ভক্তসকলৰ মন বুজিবৰ কাৰণে আহোঁতে পাৰ্ব্বতী দেৱীকো লগত লৈ আহিছিল। পাৰ্বতীক এখন পাহাৰৰ দাঁতিত কন্তেক জিৰণি লবলৈ দি শিৱই ভক্তসকলৰ আহ্বানত পাৰ্বতীৰ পৰা আঁতৰি আহিছিল। সময়ত নগ্ন অৱস্থাৰে হাবি লুৰি ফুৰা কোনোবা জনজাতীয় জেউ-আ/জা আ'ৰ ( মহিলা/তিৰোতাৰ ) সতে দেখা

দেখা হ'ল। দেৱীৰ অপূৰ্ব ৰূপ আৰু সৌন্দৰ্য দেখি তিৰোতা গৰাকী আচৰিত হ'ল আৰু দেৱীৰ শৰণাপন্ন হৈ দুখ মোচনৰ বাবে বৰ মাগিলে। দেৱীয়ে কৰ্মঠ নিচলা তিৰোতাজনীৰ ভক্তিত সন্তুষ্ট হৈ এজনী বোৱন-কাটনত কাজী তিৰোতা হ'বলৈ আশীৰ্বাদ দিলে। কিন্তু তিৰোতা-জনীয়ে দেৱীক লগ পোৱাৰ আগতে বোৱন-কাটনত একেবাৰে অকাজী আছিল। এনেকুৱা কথা প্ৰচাৰ হোৱাৰ পিছত বহু দূৰ–দূৰণিৰ পৰা বহু গাভৰু তিৰোতাই দেৱীৰ তুষ্টি লাভ কৰিবলৈ সেই পাহাৰলৈ গৈছিল। সেই তেতিয়াৰ পৰা তিৰোতা-সকলৰ মনত এনে এটা বিশ্বাস জন্মিছিল যে যিকোনো অনূঢ়া অকাজী গাভৰু বা তিৰোতাই মাঘ আৰু বিশেষকৈ বহাগ বিহুৰ গৰু বিহু দিনা সেই পাহাৰলৈ গৈ প্ৰাৰ্থনা জনায়, তেৱেঁই বোৱা-কটাত পাৰ্গত হৈ উঠিব। এই পৰম্পৰা আজিও চলি আছে। পাৰ্বতী দেৱী আহি আশ্ৰয় লোৱা আৰু অকাজী তিৰোতা বা গাভৰুই পাকৈত বোৱনী হোৱাৰ পৰিপ্ৰেক্ষিতত সেই পাহাৰখন 'পাৰ্বতী পাহাৰ' ৰূপে জনাজাত হ'ল। এই পৰম্পৰা এতিয়াও বকো অঞ্চলৰ সকলো সম্প্ৰদায়ৰ মহিলাৰ মাজতে প্ৰচলিত আছে। এইদৰে এতিয়াও মাঘ আৰু বহাগ মাহত জাকে জাকে গাভৰু, তিৰোতাই পাৰ্বতী পাহৰলৈ গৈ মনোবাঞ্চা পূৰণাৰ্থে মূৰ দোৱায়।

**ভালুক ঘাটা ঃ** বৰ্ত্তমান বকোৰ পৰা উত্তৰ পশ্চিম অঞ্চলত অৱস্থিত এখন ডাঙৰ গাঁও। ইয়াৰ লোক সকল বৈষ্ণৱ ধৰ্ম ভাৱাপন্ন হোৱা হেতুকে ইয়াত এখন সত্ৰ স্থাপন কৰিছে। সেই সত্ৰ খনৰ নাম 'ভালুক ঘাটা সত্ৰ'। ভালুক ঘাটা সত্ৰ স্থাপনৰ গুৰিতে এটা জন প্ৰবাদ আছে। দ্বাপৰত শ্ৰীকৃষ্ণই সত্ৰাজিৎ ৰজাৰ হোৰোৱা শ্যামন্তক মণি উদ্ধাৰৰ আৰু অপবাদ মোচনৰ হেতু আৰু নিজা মাহাত্ম্য প্ৰকাশৰ অভিপ্ৰায়েৰে এই ভালুক ঘাটাতেই ভালুকক (জাম্বুৱন্তক) যুদ্ধত ঘটুৱাই নিজৰ অভিলাষ পূৰ্ণ কৰিছিল। ভালুকেও যুদ্ধত পৰাজয় মানি, উদ্ধাৰৰ হেতু শ্ৰীকৃষ্ণত শৰণ লৈ কৃষ্ণ ভক্তিৰ মাহাত্ম্য প্ৰকাশ কৰিছিল। এনেকুৱা পৰম্পৰাৰ ভিত্তিতে 'ভালুক ঘাটা' গাঁৱৰ নামকৰণ হোৱা বুলি বহুলোকে মন্তব্য কৰিব খোজে।

**খামাৰ গাঁও (কমাৰ গাঁও ঃ** বকোৰ পৰা উত্তৰ অঞ্চলত অৱস্থিত এখন ডাঙৰ গাঁও। সম্ভৱত লোৰ দা–কটাৰী আদি বনোৱা কোনোৱা কমাৰে গাঁও পাতি থাকিবলৈ লোৱাৰ পৰা গাঁও খনৰ নাম খামাৰ (কমাৰ) গাঁও হৈছে। কিয়নো বকোৰ আঞ্চলিক উপভাষাত মান্য ভাষাৰ অল্প প্ৰাণ ধ্বনিৰ ঠাইত মহাপ্ৰাণ ধ্বনি উচ্চাৰিত হয়। সেয়ে মান্য ভাষাৰ অল্পপ্ৰাণ 'ক' ধ্বনিৰ ঠাইত মহাপ্ৰাণ 'খ' ধ্বনি হৈছে। আৰু মধ্যবৰ্ত্তী স্বৰত 'আ' স্বৰ ধ্বনি থকা হেতুকে স্বৰ-সমীভৱনৰ ফলত পূৰ্ববৰ্ত্তী স্বৰটো "আ" স্বৰধ্বনি হৈছে। সেয়ে "কমাৰৰ" ঠাইত "খামাৰ" হৈছে। এই "খামাৰ" শব্দৰ লগত "গাঁও" শব্দাংশ লগ হৈ "খামাৰ গাঁও হৈছে।


আভাস লোৱা গ্ৰন্থ ঃ

১। অসমীয়া ভাষা আৰু সংস্কৃতি, ড° বি, কে, বৰুৱা।

২। লুকীৰ ইতিবৃত্ত, শ্ৰীধীৰেণ ৰাভা।